**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-08-2024
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***
***HEADLINES***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নগাঁৱ জিলাৰ ধিঙত এগৰাকী ছাত্ৰীক যৌন নিৰ্যাতনৰ ঘটনাৰ তদন্তৰ বাবে দিয়া নিৰ্দেশ অনুসৰি আৰক্ষী সঞ্চালক প্ৰধান জি পি সিং আজি ধিঙত উপস্থিত হয়। সঞ্চালক প্ৰধানগৰাকীয়ে ঘটনাস্থলী পৰিদৰ্শন কৰাৰ লগতে ছাত্ৰীগৰাকীৰ ঘৰত উপস্থিত হৈ অভিভাৱকৰ সৈতে মত বিনিময় কৰে। পাছত ধিং আৰক্ষী থানাত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত শ্ৰী সিঙে কয় যে ঘটনাৰ সংক্ৰান্তত তদন্তই সঠিক দিশত অগ্ৰগতি লাভ কৰিছে। যথেষ্ট তথ্য-প্ৰমাণ আৰক্ষীয়ে ইতিমধ্য লাভ কৰিছে আৰু অতি কম সময়ৰ ভিতৰতে দোষীক চিনাক্ত কৰ হ'ব বুলি তেওঁ অশ্বাস দিয়ে। উল্লেখযোগ্য যে, এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ধিং অঞ্চলৰ বিভিন্ন দল সংদঠনে প্ৰতিবাদ সাব্যস্ত কৰিছে। মুখ্যমন্ত্ৰীয়ে আৰক্ষীক তাৎক্ষণিকভাৱে ঘটনাৰ দোষীৰ বিৰুদ্ধে উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যমৰ এটা পোষ্টত এই ঘটনাক মানৱতাৰ বিৰুদ্ধে অপৰাধ বুলি উল্লেখ কৰিছে।

ইপিনে ছাত্ৰীগৰাকীৰ শাৰীৰিক অৱস্থা বৰ্তমান সুস্থিৰ বুলি নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষকে জানিবলৈ দিছে। নগাওঁ জিলা প্ৰশাসনে ছাত্ৰীগৰাকীৰ চিকিৎসাৰ ক্ষেত্ৰত যাতে কোনো ত্ৰুতি নাথাকে তাৰ বাবে নিৰ্দেশ দিছে। তদুপৰি জিলা আৰক্ষী বিভাগে সমগ্ৰ বিষয়টো গুৰুত্বসহকাৰে গ্ৰহণ কৰি দোষীক কৰায়ত্ত কৰিবলৈ সকলো প্ৰচেষ্টা অব্যাহত ৰাখিছে। জিলা প্ৰশাসনে জনসাধাৰণক শান্তি-শৃংখলা বজাই ৰাখি দোষীক কৰায়ত্ত কৰি উচিত শাস্তি প্ৰদান কৰা ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। ইপিনে ধিঙত সংঘটিত ঘটনাৰ বিৰুদ্ধে শিৱসাগৰ জিলাৰ দৌলমুখ চাৰিআলিত কেইবাটাও দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠন কেইটাই প্ৰতিবাদী শোভাযাত্ৰী উলিয়াই দোষীক কঠোৰতকৈ কঠোৰ শাস্তিৰ দাবী জনায়।

যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়েও ধিঙৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত উচিত তদন্তৰ বাবে আৰক্ষী আৰু স্থানীয় লোকসকলক একত্ৰিতভাৱে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। নিৰ্যাতনৰ সন্মুখীন হোৱা কিশোৰীগৰাকীৰ অভিভাৱকৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰি তেওঁ কয় যে, এই ঘটনাৰ উচিত তদন্তৰ ক্ষেত্ৰত কোনো সুৰুঙা থাকিব নালাগে।

মৰিগাঁও জিলাতো এটা স্বেচ্ছাসেৱী সংগঠনৰ শতাধিক নেতা-কৰ্মীয়ে ধিঙৰ ঘটনাৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে দোষীক উচিত শাস্তি দিয়াৰ লগতে মহিলা আৰু শিশুৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়।

০০০

সমগ্ৰ দেশত আজি প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হৈছে। নতুন দিল্লীত আজি ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয় যে কেৱল মহাকাশ খণ্ডতে নহয় দেশৰ আৰ্থসামাজিক উন্নয়নতো ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোই গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। তেঁও কয় যে মহাকাশ খণ্ডৰ বিকাশৰ ফলত স্বাস্থ্য, পৰিবহন, পৰিবেশ, শক্তি নিৰাপত্তা, তথ্য প্ৰযুক্তি আৰু আন আন বহু খণ্ড লাভান্বিত হৈছে। লগতে মহাকাশ

অন্বেষণে মানৱ জাতিৰ সামৰ্থ বৃদ্ধি কৰিছে, কল্পনাক বাস্তৱায়িত কৰিছে, বিশ্বব্ৰহ্মাণ্ডৰ ৰহস্য উদ্‌ঘাটন কৰিছে। ইছৰোৰ চন্দ্ৰযানে চন্দ্ৰত অৱতৰণ কৰা সময়খিনি সকলো ভাৰতীয়ৰ বাবে গৌৰৱৰ মুহূৰ্ত বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। তেওঁ কয় যে মহাকাশ দিৱস উদ্‌যাপন কৰাটো প্ৰশংসনীয় পদক্ষেপ। ন্যূনতম সম্পদৰ জৰিয়তে সম্পন্ন কৰা মঙল অভিযান, একে সময়তে এশতকৈ অধিক উপগ্ৰহ উৎক্ষেপন আদি বহু কৃতিত্বৰে ভাৰতৰ মহাকাশ খণ্ডৰ বিকাশ অসাধাৰণ বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। ২০৩০ চনৰ ভিতৰত মহাকাশ অভিযানক আৱৰ্জনামুক্ত কৰাৰ ইছৰোৰ পৰিকল্পনা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে প্ৰশংসা কৰে। আনহাতে, কেন্দ্ৰীয় মহাকাশ স্বতন্ত্ৰ ৰাজ্যমন্ত্ৰী ডঃ জীতেন্দ্ৰ সিঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে মহাকাশখণ্ডৰ পূৰ্বৰ জটিলতাসমূহ দূৰ কৰিছে বুলি মত প্ৰকাশ কৰে।

০০০

ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি ৰাষ্ট্ৰীয় পেলু নিৰ্মুলক ৰণ দিৱস ২০২৪ সন্দৰ্ভত গঠন কৰা জিলা টাস্কফোৰ্চৰ এখন সভা অনুষ্ঠিত হয়। অহা ২৯ আগষ্টত ৰাষ্ট্ৰীয় পেলু নিৰ্মুলকৰণ দিৱস ২০২৪ উদ্‌যাপন কৰা হ'ব। এই দিৱসৰ মূল উদ্দেশ্য হৈছে - এবছৰৰ পৰা ১৯ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ কৃমি সম্পূৰ্ণৰূপে নিৰ্মুল কৰা। এই ৰাষ্ট্ৰীয় পেলু নিৰ্মুলকৰণ কাৰ্যসূচীত প্ৰতিখন বিদ্যালয় আৰু অঙ্গনবাড়ী কেন্দ্ৰসমূহত ১ ৰ পৰা ১৯ বছৰ বয়সৰ লৰা ছোৱালীক বিনামুলীয়াকৈ কৃমিনাশক দৰৱ দিয়া হ'ব।

০০০

অসম শক্তি বিতৰণ কোম্পানী লিমিটেড চমুকৈ এ পি ডি চি এল, যোৰহাটৰ উদ্যোগত আজি যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহ প্ৰেক্ষাগৃহৰ সভাকক্ষত **প্ৰধানমন্ত্ৰী সূৰ্যঘৰ বিনামূলীয়া বিদ্যুৎ আঁচনি**ৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে এখন সজাগতা সভা অনুষ্ঠিত হয়। প্ৰতিমাহে ৩০০ ইউনিট পৰ্যন্ত বিনামূলীয়া বিদ্যুৎ যোগান ধৰি এক কোটি পৰিয়ালৰ ঘৰ পোহৰাই তোলাৰ লক্ষ্যৰে হাতত লোৱা এই আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্য চৰকাৰে ৰুফটপ সৌৰ শক্তি স্থাপনৰ সহৰভাগ ব্যয় বহন কৰিব বুলি জানিব পৰা গৈছে। সভাত অংশগ্ৰহণ কৰি জিলাৰ আয়ুক্তই কয় যে, সৌৰ শক্তিৰ জৰিয়তে নাগৰিকক বিনামূলীয়া বিদ্যুৎ যোগান দিয়াৰ ক্ষেত্ৰত এই আঁচনিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। সেউজ শক্তিৰ দিশত কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপে সেউজ শক্তি আহৰণ, বিদ্যুতৰ বিল হ্ৰাস আৰু ৰাজ্যিক গ্ৰীডক অতিৰিক্ত শক্তি বিক্ৰীৰে সমৃদ্ধ কৰিব বুলি তেওঁ মন্তব্য কৰে। আয়ুক্তগৰাকীয়ে সকলোকে এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০

সমাপ্ত